# 2024

## ASSAMESE

( Honours Core )

Paper : ASM–HC–6026

**( অসমীয়া লিপিৰ ইতিহাস )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লিপিৰ পূৰ্ণবিকশিত ৰূপটোক কি লিপি বুলি কোৱা হয়?

(খ) কি লিপিত অক্ষৰ বা বৰ্ণ নাথাকে?

(গ) সম্ৰাট অশোকৰ ধৰ্ম লিপিসমূহত ব্ৰাহ্মীৰ উপৰিও ব্যৱহাৰ হোৱা আন এবিধ লিপিৰ নাম লিখা।

(ঘ) উমাচল শিলালিপি কোনগৰাকী ৰজাই খোদিত কৰিছিল?

(ঙ) কোন শতিকাত ভূতি বৰ্মাৰ বৰগংগা শিলালিপি খোদিত কৰা হৈছিল?

(চ) সমুদ্র পালৰ আমবাৰী শিলালিপিখনিত মুঠ কিমানটা শাবী পোৱা যায়?

(ছ) ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসনখন কিমান চনত উদ্ধাৰ হৈছিল?

(জ) হৰ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰশাসন কোনখন জিলাত উদ্ধাৰ হৈছিল?

(ঝ) 'কিতাৱৎমঞ্জৰী' গ্ৰন্থখন অসমৰ কি শৈলীৰ লিপিত লিখা?

(ঞ) সৰ্বেশ্বৰ কটকীৰ লিপিবিষয়ক গ্ৰন্থখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) প্ৰাচীন নাগৰী লিপিৰ পৰা বিকাশ হোৱা দুবিধ লিপিৰ নাম লিখা।

(খ) ধ্বনিমূলক লিপিক কি দুটা ভাগত ভাগ কৰা হয়?

(গ) গছতলৰ লিপি কোনে উদ্ধাৰ কৰি আনি, ক'ত জমা দিছিল?

(ঘ) অসমৰ অধিকাংশ বুৰঞ্জী পুথি কি লিপিৰে লিখিত? এই পুথি লিখিবলৈ ৰজাই নিযুক্তি দিয়া খেলটো কি নামেৰে পৰিচিত?

(ঙ) বনমাল বৰ্মাৰ দুখন শাসনৰ নাম লিখা।





৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) খৰোষ্ঠী লিপিৰ বিষয়ে এটি টোকা লিখা।

(খ) ব্ৰাহ্মী লিপিৰ নামৰ তাৎপৰ্য আৰু ইয়াৰ উৎপত্তিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ডলিপি সম্পৰ্কে চমু আভাস দিয়া।

(ঘ) ভাস্কৰ বৰ্মাৰ নিধনপুৰ তাম্ৰশাসনৰ চমু পৰিচয় দিয়া।

(ঙ) বামুণীয়া লিপিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(চ) অসমীয়া সচিত্ৰ পুথিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লিপিৰ বিকাশক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰা হয়? প্ৰতিটো ভাগকে সামৰি এটি নিৰন্ধ যুগুত কৰা।

*অথবা*

ব্ৰাহ্মী লিপিৰ বিৱৰ্তনৰ ধাৰাসমূহ বহলাই আলোচনা কৰা।

(খ) পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ পুৰণি অসমীয়া বা কামৰূপী লিপিৰ পৰিচয় দাঙি ধৰা।

*অথবা*

কানাই বৰশী বোৱা শিলালিপি আৰু ভূতি বৰ্মাৰ বৰগংগা লিপিৰ পৰিচয় দাঙি ধৰা।

(গ) অসমৰ তাম্ৰলিপিসমূহৰ এটি সাধাৰণ পৰিচয়জ্ঞাপক বৰ্ণনা দাঙি ধৰা।

*অথবা*

বলবৰ্মাৰ নগাঁও আৰু হাওৰাঘাট শাসনৰ বিষয়ে বিতংকৈ আলোচনা কৰা।

(ঘ) পুৰণি অসমীয়া হাতেলিখা পুথিৰ লিপিৰ সম্যক পৰিচয় দাঙি ধৰা।

*অথবা*

পুৰণি অসমীয়া হাতেলিখা পুথিৰ লিখনকলা আৰু লেখনসামগ্ৰী সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

* * *